Total No. of printed pages = 5

4 (Sem-2) FASM-I

# 2017

## ASSAMESE

## (Functional MIL - I)

Full Marks – 80

Time – Three hours

The figures in the margin indicate full marks for the questions.

১। উত্তৰ দিয়াঁ ঃ ১×৫=৫

(ক) শকুন্তলা নাটৰ পঞ্চম অংকত দুষ্যন্তৰ কাৰেঙৰ সংগীতশালাত গীত গাই থকা ৰজাৰ প্ৰেয়সী গৰাকীৰ নাম কি আছিল ?

(খ) 'শিক্ষা আৰু বৰ্তমানৰ অভাৱ-অভিযোগ' পাঠটিৰ লিখক কোন?

(গ) পি. ই. এন.-ৰ ভাৰতীয় শাখাটো কোন চনত স্থাপন কৰা হৈছিল?

(ঘ) কোনখন বেদত পুৰণি ভাৰতবৰ্ষৰ মুখচ্ছবি দেখা পোৱা যায় বুলি 'লিখক আৰু বৰ্তমানৰ সংকট' পাঠত উল্লেখ কৰা হৈছে?

[Turn over

(ঙ) ৰবীন্দ্ৰনাথ ঠাকুৰ ৰচিত 'শকুন্তলা' প্ৰবন্ধটি অসমীয়ালৈ কোনে অনুবাদ কৰিছে ?

২। অতি চমুকৈ উত্তৰ দিয়া ঃ ২×৫=১০

(ক) শকুন্তলাৰ স্বামীগৃহ যাত্ৰাৰ সংগী হোৱা ঋষিকুমাৰ দুগৰাকীৰ নাম লিখা।

(খ) পি. ই. এন.-ৰ দ্বিতীয় গৰাকী সভানেত্ৰী সৰোজিনী নাইডুৱে ভাৰতীয় সংস্কৃতি সম্পৰ্কে কেনেধৰণে অনুভৱ কৰিছিল ?

(গ) পৌৰাণিক যুগৰ লিখকসকলৰ মানত সাহিত্য কি আছিল ?

(ঘ) অহিংসা আৰু ধৰ্মচক্ৰৰ প্ৰতীক হিচাপে কাৰ নাম ল'ব পাৰি ?

(ঙ) নটৰাজৰ মূৰ্তি কিহৰ প্ৰতীক ?

৩। চমুকৈ উত্তৰ দিয়া (যি কোনো চাৰিটা) ঃ ৫×৪=২০

(ক) 'শকুন্তলা বনৰ সৰলা হৰিণীৰ দৰে, পৰ্বতীয়া জুৰিৰ জলধাৰাৰ দৰে মলিনতাৰ সংশ্ৰৱতো অনায়াসেই নিৰ্মল।' — কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰা।

(খ) 'যুদ্ধত কোনো গৌৰৱ নাই, গৌৰৱ সৌহাৰ্দ্যতহে' — তাৎপৰ্য ব্যাখ্যা কৰা।

(গ) 'ফলস্বৰূপে বিশ্ববিদ্যালয়সমূহ গাঁৱৰ প্ৰতিভা শুহি লোৱা টোকা কাগজ হৈ পৰিল”– কিহৰ ফলস্বৰূপে বিশ্ববিদ্যালয়সমূহে গাঁৱৰ প্ৰতিভা শুহি ল'লে চমুকৈ লিখা।

(ঘ) 'কালিদাসেও তেওঁৰ নাটকত জিভা মেলি অহা বনজুইক অনুতপ্ত চিত্তৰ অশ্ৰুবৰ্ষণৰ দ্বাৰা নুমাইছে।' — দুৰ্বাসাৰ অভিশাপে শকুন্তলা নাটৰ শান্তি আৰু সামঞ্জস্য কেনেদৰে ৰক্ষা কৰিছে চমুকৈ লিখা।

(ঙ) 'প্ৰত্যেক মানুহৰে দুটাকৈ প্ৰবৃত্তি আছে।' — ইৰটিক বা অনুৰাগজনিত প্ৰবৃত্তি আৰু ধ্বংসাত্মক প্ৰবৃত্তিয়ে মানুহৰ মনোজগতত কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰে 'লিখক আৰু বৰ্তমানৰ সংকট' পাঠৰ আধাৰত বুজাই লিখা।

(চ) “এই বিশ্ববিদ্যালয়সমূহৰ স্থিতি প্ৰকৃততে ভাৰতীয় মাটি আৰু আকাশৰ তলত আছিল, কিন্তু জীৱনী শক্তিৰ আছিল ভাৰতীয়তকৈ ইংৰাজী আৰু ইউৰোপৰ লগতহে বেছি মিল”— 'শিক্ষা আৰু বৰ্তমানৰ অভাৱ-অভিযোগ' পাঠৰ আধাৰত কথাষাৰ আলোচনা কৰা।

৪। (ক) “শ্বেক্সপিয়াৰৰ টেম্পেষ্ট নাটকৰ সৈতে কালিদাসৰ শকুন্তলাৰ তুলনা সহজে মনলৈ আহিব পাৰে।” 'শকুন্তলা' পাঠৰ আধাৰত দুয়োখন নাটৰ এটি তুলনামূলক আলোচনা কৰা। ১০

নাইবা

(খ) "দিল্লী কেৱল যে ঐতিহাসিক স্মৃতিকেইটাৰেই সংগম স্থান এনে নহয়, বৰং বিভিন্ন অঞ্চলৰ পৰা অহা লোকসকলৰো মিলনক্ষেত্ৰ।" —'শিক্ষা আৰু বৰ্তমানৰ অভাৱ-অভিযোগ' পাঠৰ আধাৰত বুজাই লিখা।

৫। বিজ্ঞাপন বুলিলে কি বুজা ? ব্যৱসায় ক্ষেত্ৰত বিজ্ঞাপনৰ ভূমিকা কি ? বিজ্ঞাপনৰ দুটা সুফল আৰু দুটা কুফল উল্লেখ কৰা। ৩+৩+২+২=১০

৬। তলত দিয়া নিৰ্দেশ অনুসৰি এখন পত্ৰ লিখা ঃ ১০

[পত্ৰত তোমাৰ নাম ঠিকনা ব্যৱহাৰ নকৰি ৰমেন ডেকা, হাজো, জিলা—কামৰূপ (গ্ৰাম্য), অসম লিখিবা।]

(ক) মঙ্গলদৈ কমাৰ্চ কলেজৰ ব্যৱসায় পৰিচালনা বিভাগত এটি সহকাৰী অধ্যাপকৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশিত হৈছে। সেই পদৰ প্ৰাৰ্থী হিচাপে উক্ত কলেজৰ অধ্যক্ষলৈ (ডাকঘৰ ঃ মঙ্গলদৈ) প্ৰপত্ৰৰ আৰ্হিত এখন আবেদন পত্ৰ লিখা।

নাইবা

(খ) হাজোৰ বজাৰ চ'কত তোমাৰ এখন কিতাপৰ দোকান আছে। ইয়াৰ বাবে কিছুসংখ্যক মূল্যবান কিতাপ বিচাৰি গুৱাহাটীৰ বামুণীমৈদামত থকা (গুৱাহাটী-২১) অসম প্ৰকাশন পৰিষদৰ সচিবলৈ এখন নিৰ্দেশ পত্ৰ লিখা।

৭। তলত দিয়া যি কোনো এটা বিষয়লৈ এখন ৰচনা লিখা ঃ ১৫

(ক) অসমৰ পৰিবহণ ব্যৱস্থা

(খ) অসমৰ চাহ শিল্প ঃ ইয়াৰ সমস্যাসমূহ

(গ) অসমৰ বানপানী সমস্যা ঃ অৰ্থনৈতিক ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ

(ঘ) ক্ষুদ্ৰ উদ্যোগৰ উন্নয়নত বেংকৰ ভূমিকা।